**Dogo Rangsang Research Journal**
(A Bilingual Research Journal
Indexed in **UGC-CARE List**)

ISSN : 2347-7180
Vol. **IX**, Issue **XVII**, October, **2022**

# অসমীয়া নাৰীৰ দিক্‌দৰ্শনত ঘৰ-জেউতি আলোচনীৰ ভূমিকা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

● **ৰিজুমণি দাস**
গৱেষক, অসমীয়া বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়, পাঠশালা আৰু সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ নামৰূপ মহাবিদ্যালয়, e-mail: rijumanid06@gmail.com, ফোন ঃ ৯৩৬৫০৫৯৯২৫
● **ড° ৰশ্মি দেৱী**
সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়, পাঠশালা।
e-mail: rashmibaba14@gmail.com, ফোন ঃ ৬০০৩৪৩২৭৩০

**সংক্ষিপ্তসাৰ ঃ** *সংবাদপত্ৰ হৈছে আধুনিক গণমাধ্যম। এই মাধ্যমৰ জৰিয়তে লেখকসকলে কোনো এটা বিষয়ৰ ওপৰত নিজৰ মতামত পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে উপস্থাপন কৰিব পাৰে। অসমীয়া সংবাদপত্ৰৰ শুভাৰম্ভণি ঘটোৱা অৰুণোদয় আলোচনীখনৰ পাততে অসমীয়া সংবাদ পত্ৰৰ ধাৰা অব্যাহত হৈছিল। ঊনবিংশ শতিকাৰ পৰা কুৰি শতিকাৰ দ্বিতীয় দশকলৈকে প্ৰকাশিত হোৱা এই আলোচনীসমূহত নাৰী লেখকৰ সংখ্যা তেনেই তাকৰ আছিল। যাৰ বাবে পৰৱৰ্তী সময়ত কনকলতা চলিহা আৰু কমলালয়া কাকতিৰ সম্পাদনাত কুৰি শতিকাৰ তৃতীয় দশকত প্ৰথম অসমীয়া মহিলা আলোচনা ঘৰ-জেউতিৰ জন্ম হৈছিল। সমসাময়িক সময়ত নাৰীৰ দিক্‌দৰ্শনৰ ক্ষেত্ৰত এই আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়। এই আলোচনীখনে অসমীয়া নাৰীসকলক পাঠকৰ আগত লেখিকা হিচাপে পৰিচয় কৰাই দিছিল আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ বাটেৰেই হাতত কলম তুলি ল'বলৈ নাৰীসকল আগবাঢ়ি আহিছিল।*

*সমসাময়িক সমাজত আলোচনীখনে অসমীয়া নাৰীসকলে পোৱা প্ৰত্যাহ্বানসমূহ নেওচি কেনেদৰে সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী হৈছিল আৰু তেওঁলোকৰ দিক্‌দৰ্শনৰ বাবে এই আলোচনীখনে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছিল এই সম্পৰ্কে বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে আলোচনা কৰা হ'ব।*

**বীজ শব্দ ঃ** *ঘৰ-জেউতি, নাৰী, দিক্‌দৰ্শন, আলোচনী, শিক্ষা, সমাজ ব্যৱস্থা।*

### ০.১ ঃ অৱতৰণিকা

বাতৰি কাকত বা সংবাদ পত্ৰ হৈছে কোনো এটা জাতিৰ ইতিহাসৰ খচৰা স্বৰূপ। এই সংবাদ মধ্যমে পৃথিৱীৰ প্ৰায় সকলোবোৰ ভাষাৰ আধুনিক সাহিত্যৰ বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায়। ছপা মাধ্যমসমূহৰ ভিতৰত বাতৰি-কাকত, সমসাময়িক পত্ৰিকা, আলোচনী আদিক সামৰিব পাৰি। এই মাধ্যমৰ জৰিয়তে এটা যুগৰ সাহিত্যৰ ইতিহাস, জনজীৱনৰ ইতিহাস আদিৰ জৰিয়তে সমসাময়িক সমাজৰ বিভিন্ন দিশ যেনে- সমাজ ব্যৱস্থা, শিক্ষা, সংস্কৃতি, ভৌগলিক অৱয়ব, নাৰীৰ স্থিতি আদিৰ তথ্য পোৱা যায়। ইয়াত বিনাদ্বিধাই লেখক বা সাংবাদিকসকলে নিজৰ ব্যক্তিগত মতামত উপস্থাপন কৰিব পাৰে। এইক্ষেত্ৰত ছপা মাধ্যমসমূহে নাৰীকেন্দ্ৰিক ধাৰণা বা নাৰীৰ দিক্‌দৰ্শনৰ ক্ষেত্ৰত বহুতো প্ৰবন্ধ বা লেখনি প্ৰকাশ কৰি সহমৰ্মিতা প্ৰকাশ কৰাও দেখা যায়।

পাশ্চাত্য সাহিত্যত বিশেষকৈ ১৮ শ শতিকাত উদ্ভৱ হোৱা বৈপ্লৱিক আন্দোলনৰ ফলতেই আমেৰিকা যুক্তৰাষ্ট্ৰত

নাৰীবাদৰ উন্মেষ ঘটিছিল, যদিও নাৰী শিক্ষাৰ ধাৰণাটো ঊনবিংশ শতিকাতহে বিস্তাৰ লাভ কৰিছিল। ইংলণ্ডৰ নাৰীৰ শিক্ষা সম্বন্ধীয় তথ্য ১৮২৫ চনত 'ফ্ৰেণ্ড অৱ ইণ্ডিয়াত' প্ৰকাশ পাইছিল। পৰৱৰ্তী সময়ত নাৰীৰ ভোটাধিকাৰৰ ক্ষেত্ৰত *'English Woman's Journal'(1858), 'Woman's Herold' (1895)* আদি আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

পাশ্চাত্যক অনুসৰণ কৰি পৰৱৰ্তী সময়ত নাৰীৰ প্ৰগতিৰ ধাৰাসমূহ ভাৰতীয় সাহিত্য আৰু সংবাদপত্ৰ বা বাৰ্তালোচনীসমূহেও প্ৰকাশ কৰিব ধৰিলে। এইক্ষেত্ৰত *'Women Indian Association'* চমুকৈ *W. I. A.* ৰ মুখপত্ৰ *স্ত্ৰীধৰ্মত* নাৰী বিষয়ক বিভিন্ন প্ৰবন্ধ, তথ্য আদি ইংৰাজীৰ উপৰিও তামিল আৰু হিন্দী ভাষাতো প্ৰকাশ হ'বলৈ ধৰিলে।[১] ১৯০৯ চনত প্ৰকাশিত ৰামেশ্বৰী নেহেৰুৰ সম্পাদনাত *স্ত্ৰী দৰ্পণ,* ১৯০৫ চনত প্ৰকাশিত বংগৰ সৰযুবালা দত্ত সম্পাদিত পত্ৰিকা *ভাৰত-মহিলা,* ১৯২৫ চনত প্ৰকাশিত *বঙ্গলক্ষ্মী,* আদি বাৰ্তালোচনীসমূহৰো নাৰীৰ উন্নতিয়েই মূল উদ্দেশ্য আছিল।[২]

অসমীয়া নাৰীৰ উন্নতিৰ ক্ষেত্ৰত সমসাময়িক পত্ৰিকা, কাকত-আলোচনীসমূহেও পাশ্চাত্য আৰু ভাৰতীয় আদৰ্শক বাটকটীয়া হিচাপে লৈ আগবাঢ়ি গৈছিল। ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে ১৮৪৬ চনত খ্ৰীষ্টান মিছনেৰীসকলে *অৰুণোদয়* বাৰ্তালোচনী প্ৰকাশ কৰিছিল আৰু *অৰুণোদয়*ৰ পাতেতেই স্ত্ৰী-শিক্ষাৰ বাট মুকলি কৰি বিভিন্নজন লেখকে নিজৰ মন্তব্য প্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত *আসাম বন্ধু* (১৮৮৫) ত গুণাভিৰাম বৰুৱাই স্ত্ৰী-শিক্ষাৰ সপক্ষে মতামত প্ৰকাশ কৰি সমাজত নাৰীৰ স্থান আৰু মানৰ প্ৰতি এক নতুন দৃষ্টিভংগী গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। একেদৰে *জোনাকী* (১৮৮৯) আলোচনীয়েও নাৰীৰ দিক্‌দৰ্শনত ভূমিকা পালন কৰি দেশৰ লগতে সমাজখনো নাৰীজাতি শিক্ষিত হ'লেহে আগুৱাব পাৰিব বুলি উল্লেখ কৰিছিল।

অসমৰ ভাষা-সাহিত্য অথবা সমাজ-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ পৰা বিংশ শতিকাৰ তৃতীয় দশকৰ সময়ছোৱা বিশেষ তাৎপৰ্যপূৰ্ণ। এই সময়চোৱাত অসমীয়া বাতৰিকাকত বা আলোচনীত নাৰীসকলৰ স্থান কেনেধৰণৰ আছিল তাৰ তথ্য পোৱা যায়। ঊনবিংশ শতিকাতে অসমীয়া আলোচনী বা বাতৰিকাকতৰ যাত্ৰা আৰম্ভ হয় যদিও এই আলোচনীসমূহত নাৰী লেখকৰ সংখ্যা তেনেই তাকৰ থকাটো পৰিলক্ষিত হয় যাৰ বাবে ১৯২৭ চনৰ চেপ্তেম্বৰ মাহত শিৱসাগৰৰ পৰা কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ সম্পাদনাত অসমৰ প্ৰথম মহিলা আলোচনী *ঘৰ-জেউতি*ৰ জন্ম হয় আৰু এই আলোচনীখনে অসমীয়া নাৰীক সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে নাৰীসকলৰ দিক্‌দৰ্শৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰে।

গৱেষণা পত্ৰখনত অসমীয়া নাৰীৰ দিক্‌দৰ্শনত *ঘৰ-জেউতি* আলোচনীৰ ভূমিকা এই বিষয়টো বিশ্লেষণাত্মক দৃষ্টিভংগীৰে আলোচনা কৰা হ'ব।

**০.২ ঃ গৱেষণা পত্ৰ প্ৰস্তুতকৰণ পদ্ধতি**

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে আৰু পত্ৰখনি প্ৰস্তুতকৰণৰ সময়ত এনেদৰে আগবঢ়া হৈছে—

**০.২.১ ঃ তথ্য সংগ্ৰহ**

আলোচনাৰ কাৰণে লাগতিয়াল তথ্য হিচাপে অপৰ্ণা মহন্তৰ দ্বাৰা সম্পাদিত *ঘৰ-জেউতি* আলোচনীখনৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

**০.২.২ ঃ পৰ্যবেক্ষণ আৰু বিশ্লেষণ**

প্ৰাপ্ত তথ্যসমূহৰ বিশ্লেষণ আৰু পৰ্যবেক্ষণৰ বাবে বিভিন্ন গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে।

**০.২.৩ ঃ তাৎপৰ্য উপলব্ধি**

প্ৰাপ্ত তথ্যসমূহৰ পৰ্যবেক্ষণ আৰু বিশ্লেষণৰ অন্তত বিষয়ৰ তাৎপৰ্য উপলব্ধি কৰিবলৈ চেষ্টা কৰা হৈছে।

**০.২.৪ ঃ সিদ্ধান্ত গ্ৰহণ**

শেষত প্ৰাপ্ত তথ্যৰ ফলৰ ভিত্তিত নিৰ্দিষ্ট সিদ্ধান্তলৈ আহিবলৈ প্ৰয়াস কৰা হৈছে।

**০.৩ ঃ গৱেষণা পত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য**

(১) প্ৰথম অসমীয়া মহিলা আলোচনী হিচাপে ইয়াৰ মূল্য বিচাৰ কৰা।

(২) আলোচনীখনে সমসাময়িক সমাজত কেনেদৰে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল সেই সম্পৰ্কে আলোকপাত কৰা।
(৩) নাৰী শিক্ষাৰ সপক্ষে আৰু বিপক্ষে থকা মতামতসমূহ আলোচনা কৰা।
(৪) পুৰুষতকৈ নাৰী লেখিকাক অগ্ৰাধিকাৰ দিয়া সম্পৰ্কে আলোচনা কৰা।
(৫) বিশিষ্ট নাৰীসকলৰ জীৱন-দৰ্শন প্ৰকাশৰ জৰিয়তে কেনেদৰে সাধাৰণ নাৰীসকলক আত্মনিৰ্ভৰশীল হ'বলৈ শিকাইছিল তাক বিশ্লেষণ কৰা।
(৬) বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰি প্ৰতিটো জাতি-জনগোষ্ঠীৰ নাৰীসকলক একগোট কৰি কেনেদৰে শক্তিশালী নাৰীজাতি গঠন কৰিব পাৰি তাৰ বিশ্লেষণ কৰা।

**০.৪ ঃ গৱেষণা পত্ৰৰ গুৰুত্ব**

(১) অসমৰ প্ৰথম মহিলা আলোচনী হিচাপে *ঘৰ-জেউতি*ৰ গুৰুত্ব আছে। সেয়েহে এই আলোচনীখনে নাৰীসকলৰ দিক্‌দৰ্শনত কেনেদৰে সহায় কৰিছিল তাৰ গুৰুত্ব বিশ্লেষণ কৰা হ'ব।
(২) আলোচনীখনত থকা বিভিন্ন ধৰণৰ লেখাসমূহৰ দ্বাৰা সমসাময়িক সমাজৰ নাৰীসকলক বিভিন্ন দিশত আগবঢ়াই নিবলৈ কৰা প্ৰচেষ্টাসমূহ বিশ্লেষণ কৰিবলৈ বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে।

**০.৫ ঃ পৰিসৰ**

অসমীয়া নাৰীৰ দিক্‌দৰ্শনত ঘৰ-জেউতি আলোচনীৰ ভূমিকা - এক বিশ্লেষণাত্মক অধ্যয়ন এই বিষয়ৰ অংশস্বৰূপে কুৰি শতিকাৰ তৃতীয় দশকত প্ৰকাশিত প্ৰথম মহিলা আলোচনী *ঘৰ-জেউতি*ৰ প্ৰবন্ধসমূহক সামৰি এক তথ্য দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।

**১.০ ঃ *ঘৰ-জেউতি* জন্মৰ ইতিবৃত্ত**

"১৯২৬ চনত ধুবুৰীত স্থাপিত হোৱা অসম মহিলা সমিতিৰ প্ৰথম অধিবেশন ১৯২৭ চনত অক্টোবৰ মাহত গোৱালপাৰাত বহে।"[৩] এই অধিবেশনৰ লগত সংগতি ৰাখি শিৱসাগৰৰ পৰা অসমৰ প্ৰথমখন মহিলা মাহেকীয়া আলোচনী কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ সম্পাদনাত প্ৰকাশ পায়।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত দুগৰাকী পুৰুষেও সহায় কৰিছিল। তেওঁলোকৰ এগৰাকী তাৰাপ্ৰসাদ চলিহা আৰু আনগৰাকী দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা। অৱশ্যে এওঁলোক সহায়কাৰী বুলিহে *ঘৰ-জেউতি*ৰ পাতনিত পোৱা যায়- "তাৰাপ্ৰসাদ চলিহাৰ নৈতিক সমৰ্থন আৰু আৰ্থিক বল আৰু ব্যৱহাৰিক অভিজ্ঞতাই প্ৰকাশৰ পথ সুচল কৰি তুলিলেও আলোচনী এখন প্ৰকাশৰ বাবে লাগতিয়াল কামখিনি যে সম্পাদকদ্বয়ে নিজেই সম্পাদন কৰিলে তাক সন্দেহ কৰাৰ কাৰণ নাই।"[৪] এইখিনি কথাৰ প্ৰাসংগিকতা আছে, কাৰণ সমসাময়িক সমাজত *ঘৰ-জেউতি* আলোচনীখন যে মহিলাৰ কৃতি সেয়া পুৰুষ সমাজে বিশ্বাস কৰা নাছিল। যাৰবাবে বেণুধৰ শৰ্মাই তেখেতৰ ৰচনাৱলীত "সেইখনতে *(ঘৰ-জেউতি)* দুৰ্গাপ্ৰসাদ (মজিন্দাৰ বৰুৱা) প্ৰধান লেখক, আঁৰে আঁৰে থকা সম্পাদক আৰু পৃষ্ঠপোষক"[৫] বুলি উল্লেখ কৰিছিল।

**২.০ ঃ *ঘৰ-জেউতি* প্ৰকাশৰ উদ্দেশ্য আৰু লক্ষ্য**

*ঘৰ-জেউতি* প্ৰকাশৰ প্ৰধান উদ্দেশ্য হিচাপে সম্পাদকদ্বয়ে এনেদৰে উল্লেখ কৰিছে- "অসমৰ মহিলাক একে মঞ্চলৈ আনি, বিভিন্ন চিন্তাধাৰা গোটাই সঠিক দিশ নিৰ্ণয় কৰি মহিলাৰ উপযুক্ত শিক্ষা ব্যৱস্থাৰ পথ সুচল কৰা"[৬] আৰু লেখিকাসকলক উদগণি দিয়াটো *ঘৰ-জেউতি*ৰ মুখ্য উদ্দেশ্য আছিল। আলোচনীখনৰ জৰিয়তে অসমীয়া নাৰীৰ জাতীয়তাবোধ জগাই তুলিবলৈও চেষ্টা চলোৱা হৈছিল। নাৰীসকলক আত্মচেতনাৰে উদ্বুদ্ধ কৰাটোও আলোচনীৰ আন এটা প্ৰধান উদ্দেশ্য আছিল। অৰ্থাৎ, মহিলাসকলৰ সৰ্বাঙ্গীন উন্নতি সাধনেই আলোচনীখনৰ মূল লক্ষ্য আছিল, কাৰণ পুৰুষ সকলৰ পৰা গ্ৰহণ কৰা লেখাসমূহো নাৰী সম্পৰ্কীয় হোৱাতো বাধ্যতামূলক আছিল।

**৩.০ ঃ অসমীয়া নাৰীৰ দিক্‌দৰ্শনত ঘৰ-জেউতিয়ে গ্ৰহণ কৰা পদক্ষেপ**

প্ৰধানতঃ আলোচনীখনে নাৰীসকলক সমাজ সচেতন কৰাৰ লগতে সাহিত্যৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছিল। আলোচনীখনে অসমীয়া নাৰীৰ দিক্‌দৰ্শনৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহ পৰ্যবেক্ষণ কৰা হ'ল—

৩.০.১ ঃ স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ

৩.০.২ ঃ মহিলা লেখিকাসকলক গুৰুত্ব

৩.০.৩ ঃ বৈচিত্ৰ্যৰ মাজত ঐক্য

৩.০.৪ ঃ বিশিষ্ট নাৰীসকলৰ কাৰ্যবিৱৰণী প্ৰকাশ

**৩.০.১ ঃ স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ**

*ঘৰ-জেউতিত* প্ৰকাশিত সৰহ সংখ্যক লেখকে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি প্ৰবন্ধ প্ৰকাশ কৰিছিল। ইয়াৰ ভিতৰত পুৰুষ লেখক- কমলাকান্ত ভট্টাচাৰ্য, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, তৰুণৰাম ফুকন, সুৰেন্দ্ৰ মোহন দাস, মাধৱ চন্দ্ৰ শৰ্মা, চৈয়দ হাচান আলী, উমেশ চন্দ্ৰ শইকীয়া, জগৎ চন্দ্ৰ চৌধাৰী, ৰাম চন্দ্ৰ দাস, তাৰাপ্ৰসাদ চলিহা, ৰযেশ্বৰ বৰগোহাঁই, মহিম চন্দ্ৰ সিং আদি আৰু মহিলা লেখকৰ ভিতৰত কনকলতা চলিহা, ধমেশ্বৰী দাস, লাৱণ্যপ্ৰভা দাস, শশীপ্ৰভা চলিহা, অলকা পটঙ্গীয়া, নুৰজাহান বেগম, বিদ্যাৱতী হাজৰিকা আদি লেখকৰ স্ত্ৰী-শিক্ষা বিষয়ক ২৬ টা প্ৰবন্ধ *ঘৰ-জেউতিত* প্ৰকাশ পাইছিল। আলোচনীখনত যাতে বেছিসংখ্যক প্ৰবন্ধ স্ত্ৰী-শিক্ষা বিষয়ক হয়, সেইকথা সম্পাদকদ্বয়ে এনেদৰে বিচাৰিছিল- "দুয়োৱে অন্তৰেৰে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ আৰু ন্যায় প্ৰদানৰ দ্বাৰা নাৰীয়ে উন্নত স্থান পোৱাটো কামনা কৰিছিল।"[৭]

১ম বছৰ ১ম সংখ্যাতেই সম্পাদিকা কনকলতা চলিহাই 'নাৰী জাগৰণ' শীৰ্ষক প্ৰবন্ধৰ দ্বাৰা নাৰীসকলক জগাই তুলিব বিচাৰিছিল। শশীপ্ৰভা চলিহাই অসমীয়া লোকসকলে যে নাৰীৰ শিক্ষাৰ উপকাৰিতা বুজি পাইছে সেই কথা 'নাৰীৰ উন্নতি' শীৰ্ষক লেখাত এনেদৰে ব্যক্ত কৰিছে— "এতিয়া দেশৰ সকলো মানুহে বুজিব পাৰিছে যে জাতিৰ অৰ্দ্ধাঙ্গ নাৰী যদি অশিক্ষিত হৈ থাকে, তেন্তে ৰাজনৈতিক মুক্ত নাইবা জাতিৰ সামাজিক সংস্কাৰ বহুত দূৰৈত।"[৮]

আলোচনীখনত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ সপক্ষে মতামত আগবঢ়াই পাশ্চাত্য শিক্ষাৰ বিৰোধিতা কৰিও কিছু সংখ্যক লেখকে নিজৰ মতামত প্ৰকাশ কৰিছিল। ইয়াৰ ভিতৰত বিদ্যাৱতী হাজৰিকাই 'স্ত্ৰী-শিক্ষাৰ আৱশ্যকতা' প্ৰবন্ধত "গৃহিণী হোৱাই স্ত্ৰী-শিক্ষাৰ ঘাই উদ্দেশ্য"[৯] বুলি প্ৰকাশ কৰিছিল। কিন্তু সম্পাদিকা কমলালয়া কাকতিয়ে বিদ্যাৱতী হাজৰিকাৰ প্ৰবন্ধৰ উত্তৰত 'কোঁৱৰপুৰ মহিলা সভানেত্ৰীৰ অভিভাষণ'ত নাৰীসকলক কোৱা কথাবোৰৰ ব্যাখ্যা এনেদৰে দিছিল- নাৰীশিক্ষাৰ ক্ষেত্ৰত তেওঁলোকক যথাৰ্থ শিক্ষা প্ৰদান কৰা উচিত। এগৰাকী নাৰীয়ে লিখিব বা পঢ়িব জনা হৈ ইংৰাজী বা বঙালী উপন্যাস পঢ়িব পৰা হ'লেই শিক্ষিতা বুলি ক'ব পৰা নাযায়। তেওঁক শিক্ষিতা বুলি ক'ব পাৰি তেতিয়াই যেতিয়া তেওঁ লিখা পঢ়াৰ লগতে নিজৰ ঘৰখন, বেমাৰীক চিকিৎসা আৰু কাৰ্যকৰী শিক্ষা লাভ কৰে। আকৌ সমঅধিকাৰ বাবেও 'স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা' শীৰ্ষক প্ৰবন্ধত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে এনেদৰে উল্লেখ কৰিছে- "তিৰোতাও মানুহ গতিকে তিৰোতাৰো বুদ্ধিৰ প্ৰয়োজন। বুদ্ধি বাঢ়ে শিক্ষাৰ ফলত। এতেকে নাৰীৰ যে শিক্ষাৰ আৱশ্যক, এই সম্বন্ধে কাৰো সংশয় নাইবা আন মত থাকিব নোৱাৰে।"[১০] আকৌ ৰাধানাথ হাজৰিকাই 'পূব আৰু পশ্চিমৰ সাহিত্যত তিৰোতাৰ সন্মান' বিষয়ক প্ৰবন্ধত স্ত্ৰী-শিক্ষা নহ'লে যে এখন দেশ আগবাঢ়িব নোৱাৰে সেইকথা এনেদৰে কৈছে- "আজি ভাৰত আইক শিক্ষাৰ মৃতসঞ্জীৱনী আনি পুনৰ জীৱিত কৰিবলগীয়া হৈছে। যদি ভাৰতত আকৌ গাৰ্গী, মৈত্ৰেয়ী, অহল্যা, দ্ৰৌপদী, কুন্তীয়ে জন্মগ্ৰহণ কৰিব লাগে, তেনেহ'লে সমগ্ৰ ভাৰতজুৰি স্ত্ৰী-শিক্ষাৰ বহুল প্ৰচাৰ হ'ব লাগিব।"[১১]

এনেদৰে আলোচনীখনে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰি নাৰীসকলৰ দিক্‌দৰ্শনত এক বিশেষ ভূমিকা পালন কৰিছিল।

**৩.০.২ ঃ মহিলা লেখকসকলক গুৰুত্ব প্ৰদান**

*ঘৰ-জেউতি* মূলতঃ মহিলা আলোচনী আছিল। আলোচনীখনৰ প্ৰধান উদ্দেশ্যৰ ক্ষেত্ৰত জনা যায় যে অসমৰ মহিলাসকলক এখন মঞ্চলৈ আনি বিভিন্ন চিন্তাধাৰাৰ মিলন ঘটাই শুদ্ধ পথৰ সন্ধান দিয়া। আলোচনীখনে প্ৰাথমিক পৰ্য্যায়ত অসমীয়া মহিলাসকলক সাহিত্য চৰ্চাৰ প্ৰতি উৎসাহিত কৰিছিল যাৰ বাবে আলোচনীখনত জয়মতী উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰবন্ধ, কবিতা, প্ৰতিযোগিতাৰ লেখনিসমূহো প্ৰকাশ পাইছিল। আলোচনীখনত মুঠ

১০৭ গৰাকী মহিলাই লেখক হিচাপে ভুমুকি মাৰিছিল আৰু প্ৰতিটো সংখ্যাতেই নতুন মহিলা লেখিকাক অগ্ৰাধিকাৰ দিয়া হৈছিল। *ঘৰ-জেউতিৰ* পাতত মহিলাসকলক সাহিত্যকৰ্মৰ প্ৰতি উৎসাহিত আৰু আগ্ৰহী কৰাৰ বাবেই একেটা সংখ্যাতে এজন লেখকৰ এটাতকৈ অধিক লেখনি প্ৰকাশৰ বাবে সম্পাদিকাই অনুমতি দিছিল। কাৰণ "*ঘৰ-জেউতিক* আশ্ৰয় কৰি অসংখ্য গাঁও-চহৰৰ তিৰোতাই হাতত কলম তুলি লৈ নাৰী শক্তি, সাহিত্য সৃষ্টিৰ পৰিচয় দিছিল।"[১২] যাৰ বাবে নাৰীসকলে সাহিত্য চৰ্চাৰ সুবিধা পোৱাৰ লগতে সমাজত লেখিকা হিচাপে প্ৰতিষ্ঠিত হ'বলৈও সক্ষম হোৱা দেখা গৈছিল। নলিনীবালা দেৱীৰ *'এৰি অহা দিনবোৰ'* গ্ৰন্থত ইয়াৰ সাক্ষ্য এনেদৰে পোৱা যায়- "*ঘৰ-জেউতিত* প্ৰকাশ হোৱা কবিতা দেখিহে আৱাহনৰ সম্পাদকে তেওঁৰ পৰা কবিতা খুজি প্ৰকাশ কৰে।"[১৩] ইয়াৰ পৰা জনা যায় যে পদ্মাৱতী দেৱী ফুকননী, অলকা পটঙ্গীয়া, মনোৰমা দেৱী বিদ্যাবিনোদিনী, পুণ্যপ্ৰভা দাস বি. এ., স্বৰ্ণলতা শইকীয়ানী আদি লেখিকাসকলে *ঘৰ-জেউতি* আলোচনীত প্ৰতিষ্ঠিত হৈ পৰৱৰ্তী সময়ৰ *আৱাহন* (১৯২৯) আলোচনীত নিয়মীয়া লেখিকা হিচাপে আত্মপ্ৰকাশ কৰি সমাজত নাৰীৰ স্থিতি সবল কৰিবলৈ সক্ষম হৈছিল।

**৩.০.৩ঃ বৈচিত্ৰ্যৰ মাজত ঐক্য**

*ঘৰ-জেউতিত* অসমীয়া ভাষা আৰু জাতি ৰক্ষাৰ্থে সম্পাদকদ্বয়ে গ্ৰহণ কৰা পদক্ষেপৰ দ্বাৰা বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন হৈছিল। কমলালয়া কাকতিকে ধৰি আলোচনীৰ কিছুসংখ্যক লেখিকাই গান্ধীজীৰ অসহযোগ আন্দোলন সমৰ্থন কৰিছিল, যাৰ প্ৰভাৱ আলোচনীখনতো পৰিছিল বুলি ক'ব পৰা যায়। ভাষাৰ ক্ষেত্ৰত সম্পাদকদ্বয় সচেতন আছিল আৰু আলোচনীলৈ লেখা পঠিওৱাৰ নিয়মাৱলীত এনেদৰে উল্লেখ কৰিছিল— "আলোচনীৰ বাবে পঠোৱা ৰচনাবোৰ সৰল, পোনপটীয়া, চুটি আৰু নিমজ অসমীয়াত লিখিবলৈ কোৱা হয়। বিদেশী শব্দৰ ব্যৱহাৰ বা বঙালী শৈলীৰ লেখা গ্ৰহণ কৰা নহ'ব বুলিও ঘোষণা কৰা হয়।"[১৪] শিৱসাগৰৰ জয়মতী উৎসৱৰ লগত যিহেতু আলোচনীৰ সম্পাদিকা জড়িত আছিল, সেয়েহে জয়মতী উৎসৱত যেনেদৰে সকলো জাতি আৰু সম্প্ৰদায়ৰ মহিলাই অংশগ্ৰহণ কৰিব পাৰিছিল, একেদৰে আলোচনীখনতো অসমীয়া, বঙালী, হিন্দু, মুছলমান, খ্ৰীষ্টান আদি লোকে নিজৰ সম্প্ৰদায় বা জাতিৰ কথা প্ৰকাশ কৰিব পাৰিছিল। উদাহৰণস্বৰূপে এম. ইউ. আহম্মদ পাৰ্চিপৰিয়াৰ 'বোৱাৰী', দক্ষেশ্বৰী ব্ৰহ্মাণীৰ 'স্ত্ৰী-শিক্ষা আৰু সামাজিক উন্নতি', চশমে নুৰজাহান বেগমৰ 'স্ত্ৰী-শিক্ষাৰ বিষয়ে দু-আষাৰমান', 'অভাগিনী' আদি উল্লেখযোগ্য। ইয়াৰ দ্বাৰা আলোচনীখনে বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰি জাতিৰ এনাজৰীডাল সুদৃঢ় কৰি অসমীয়া ভাষা শুদ্ধকৈ লিখিবলৈ দায়িত্ব লৈছিল সেয়া জনা যায়। কোনো ধৰণৰ দুৰ্বোধ্যতা নথকা সহজ-সৰল পোনপটীয়াভাৱে ৰচনা কৰা সাহিত্যৰ দ্বাৰা লেখক-লেখিকাসকলে জাতীয় ঐক্য ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আগবঢ়াইছিল আৰু নাৰীসকলক একতাৰ দোলেৰে বান্ধি সমাজত আগুৱাই যাবলৈ উৎসাহ যোগাইছিল।

**৩.০.৪ঃ বিশিষ্ট নাৰীসকলৰ কাৰ্যবিৱৰণী প্ৰকাশ**

*ঘৰ-জেউতিত* প্ৰকাশিত প্ৰায়বোৰ সাহিত্যৰ মূল উদ্দেশ্য আছিল মহিলাসকলৰ শিক্ষাৰ প্ৰসাৰ, নাৰীৰ প্ৰাপ্য অধিকাৰ, নাৰীৰ ক্ষমতা, নাৰীৰ সমস্যা আদিৰ উল্লেখ কৰি সমাধানৰ পথ দেখুওৱা। যাৰবাবে আলোচনীখনত বিভিন্ন দেশৰ বিশিষ্ট মহিলাসকল যেনে- এলিজাবেথ, সম্ৰাজ্ঞী নুৰজাহান, জয়মতী, চিত্ৰলেখা, সৰোজনী নাইডু, অমৃতপ্ৰভা দেৱী আদি নাৰীৰ জীৱন আৰু কৰ্মৰ বিষয়ে বিভিন্ন তথ্যভিত্তিক প্ৰবন্ধ প্ৰকাশ পাইছিল আৰু বিভিন্ন দেশৰ নাৰী আন্দোলনসমূহৰ বিষয়েও প্ৰবন্ধ প্ৰকাশ হৈছিল। উদাহৰণ স্বৰূপে 'ঘৰ-জেউতিৰ ভিতৰ চোতাল'ত শ্ৰীমতী কনকলতা চলিহাই "তুৰ্কী-বীৰাংগনা হালিদে এদিব'য়ে পৰ্দা প্ৰথা আঁতৰাই গ্ৰীকৰ লগত তুৰ্কীৰ যুদ্ধৰ সময়ত সৈনিকৰ পোচাক পিন্ধি সেনাদলত যোগদান কৰি ২৩ দিনলৈকে সংগ্ৰামত লিপ্ত থকাৰ কথা জনা যায়।"[১৩] এনেধৰণৰ লেখাৰ দ্বাৰা সম্পাদিকাই নাৰীসকলৰ অন্তৰত দেশপ্ৰেম জগাই তুলিব বিচাৰিছিল।

আলোচনীখনত 'জয়মতী' বিষয়ক বিভিন্ন প্ৰবন্ধ, গল্প, কবিতা, মহিলা সমিতিৰ অভিভাষণ আদি প্ৰকাশ কৰা হৈছিল। ইয়াৰ কাৰণ হিচাপে ক'ব পৰা যায় যে- অসমীয়া নাৰীসকলৰ মনত জাতীয় চেতনা প্ৰবাহ কৰি দেশপ্ৰেম জগাই তুলিবলৈ সম্পাদিকাই এই কাম কৰিছিল। নাৰীসকলৰ সৃষ্টিশীলতাৰ প্ৰেৰণা দিবৰ বাবে "অপৈণত কেঁচা ৰচনাকে

সম্পাদিকাদ্বয়ে পোনাই-পজৰাই *ঘৰ-জেউতিৰ* পাতত ছপা আখৰত প্ৰকাশ পোৱা ৰচনাৰ মৰ্যাদা দিয়ে।"[১৬] আলোচনীখনত জয়মতী বিষয়ক লেখা ৪৯ টা প্ৰকাশ পাইছিল। ইয়াৰে প্ৰায় সংখ্যকতে জয়মতীৰ বীৰত্বৰ কথা প্ৰকাশ পাইছিল। উদাহৰণ স্বৰূপে শশীচন্দ্ৰ বৰুৱাৰ 'গৃহ-ৰাণী' কবিতাটিত জয়মতীৰ বীৰত্ব এনেদৰে ঘোষিত হৈছে—

"নাৰীত্ব জয়াৰ সুঁৱৰিছে আজি
ধৰিছে সতীত্ব-ধ্বজা,
জয়া পুখুৰীৰ পাৰত ঢালিছে
জয়াৰ আৰতি পূজা।।"[১৭]

**৪.০ ঃ উপসংহাৰ**

প্ৰথম মহিলা আলোচনী হিচাপে অসমীয়া নাৰীসকলক বিভিন্ন দিশত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত *ঘৰ-জেউতিৰ* ভূমিকা অতুলনীয়। বিভিন্ন সময়ত সম্পাদিকাই অনুপযুক্ত লেখাসমূহো শুদ্ধ কৰি আলোচনীখনত প্ৰকাশ কৰিছিল। ইয়াৰ নতুন লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱা ইয়াৰ একমাত্ৰ কাৰণ বুলি ক'ব পৰা যায়। যাৰবাবে সম্পাদিকাদ্বয়ে পৰৱৰ্তী সময়ত এদল নাৰী লেখিকা সৃষ্টি কৰি উপযুক্ত সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত অসমক আগবঢ়াই নিবলৈ সক্ষম হৈছিল আৰু নাৰীসকলক সামাজিকভাৱে সচেতন কৰি নিজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰি আত্মবিশ্বাসেৰে নিজৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈও সুবিধা কৰি দিছিল। বিষয়টিৰ আলোচনাৰ অন্তত এনেধৰণৰ সিদ্ধান্তলৈ আহিব পাৰি—

(১) এদল লেখিকাৰ সৃষ্টি। যি সকলে পৰৱৰ্তী সময়ত নিজৰ সৃষ্টিশীল সাহিত্যৰ দ্বাৰা অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰাত সহায় আগবঢ়াইছিল আৰু নৱজাগৰণৰ সৃষ্টি কৰিছিল।
(২) স্ত্ৰী-শিক্ষা বিষয়ক বিভিন্ন লেখাৰ দ্বাৰা সমসাময়িক নাৰী সকলক শিক্ষাৰ প্ৰতি ধাউতি বঢ়োৱাত সহায় আগবঢ়াইছিল।
(৩) বিশিষ্ট নাৰী বিষয়ক লেখাসমূহৰ দ্বাৰা সমসাময়িক নাৰীসকলক দেশৰ প্ৰতি দায়িত্বশীল কৰি গঢ়ি তুলিবলৈ প্ৰচেষ্টা আগবঢ়াইছিল।
(৪) আলোচনীখনে সকলো নাৰীক একত্ৰিত কৰি বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপনত গুৰুত্ব আগবঢ়াইছিল।
(৫) সামগ্ৰিকভাৱে আলোচনীখনে নাৰীৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত সহায় আগবঢ়াইছিল।

*ঘৰ-জেউতি* আলোচনীখনৰ এটি নিৰ্দিষ্ট বিষয় লৈহে গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হ'ল। বিষয়টি সম্বন্ধে বৰ্তমানেও গৱেষণালব্ধ অধ্যয়নৰ আৱশ্যক আছে।◆◆

**অন্ত্যটীকা ঃ**

(১) Geraldine Forbes, Women in Modern India, Cambridge, 1998, p.14
(২) সন্ধ্যা দেৱী। ঘৰ-জেউতি আৰু তৎকালীন নাৰী সমাজ, গুৱাহাটী-১, ২০২১, পৃ.১৯
(৩) অপৰ্ণা মহন্ত (সম্পাদনা)। ঘৰ-জেউতি, গুৱাহাটী, ২০০৮, পাতনি।
(৪) সদ্যোক্ত, পাতনি।
(৫) সদ্যোক্ত, পাতনি।
(৬) সদ্যোক্ত, পাতনি।
(৭) সদ্যোক্ত, পাতনি।
(৮) সদ্যোক্ত, পৃ.৬৭৪
(৯) সদ্যোক্ত, পৃ. ১১৯৬
(১০) সদ্যোক্ত, পৃ. ৯৭৬
(১১) সদ্যোক্ত, পৃ. ৫২৪
(১২) সদ্যোক্ত, পাতনি।
(১৩) নলিনীবালা দেৱী, এৰি অহা দিনবোৰ, গুৱাহাটী, ২০১২, পৃ.২৯০
(১৪) অপৰ্ণা মহন্ত (সম্পাদনা), প্ৰাগুক্ত, ২০০৮, পাতনি।
(১৫) সদ্যোক্ত, পৃ.৪৪৫
(১৬) সদ্যোক্ত, পাতনি।
(১৭) সদ্যোক্ত, পৃ .১৮৬

**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া ঃ**
দেৱী, নলিনীবালা। এৰি অহা দিনবোৰ, গুৱাহাটী, লয়াৰ্ছ বুক ষ্টল, প্ৰথম প্ৰকাশ, ২০১২
দেৱী, সন্ধ্যা। নাৰী বন্ধন আৰু মুক্তি। গুৱাহাটী, অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ২০০৭
দেৱী, সন্ধ্যা। ঘৰ-জেউতি আৰু তৎকালীন নাৰী সমাজ, গুৱাহাটী, বান্ধৱ প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০২১
মহন্ত, অপৰ্ণা (সম্পাদনা)। ঘৰ-জেউতি। গুৱাহাটী, অসম প্ৰকাশন পৰিষদ, প্ৰথম সংস্কৰণ ২০০৮
শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পাদনা)। অসমৰ বাতৰি-কাকত আলোচনী ডেৰশ বছৰীয়া ইতিহাস।
গুৱাহাটী, অসমৰ বাতৰি-কাকত আলোচনীৰ ডেৰশ বছৰীয়া উদ্‌যাপন সমিতি, ১৯৯৮

**ইংৰাজী ঃ**
Forbes, Geraldine. Women in Modern India, Cambridge, 1998